# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 14-10-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## HEADLINES

১।	মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ডিব্ৰুগড়ত নিৰ্মীয়মান অসম বিধানসভাৰ দ্বিতীয়টো চৌহদ পৰিদৰ্শন।

২।	ৰাষ্ট্ৰীয় সামাজিক সাহায্য কাৰ্যসূচী চলিত বিত্তীয় বৰ্ষৰ পৰা ৫ বছৰৰ বাবে অব্যাহত ৰখাৰ প্ৰস্তাৱত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ অনুমোদন।

৩।	শ্ৰীশ্ৰীমধুপুৰ সত্ৰত ডিজিটাইজিং আছাম প্ৰকল্প সম্পন্ন। ৪৪ খন পুথি আৰু ৩ হাজাৰ ৬৫ পৃষ্ঠা সাঁচি পাতৰ ডিজিটেল ৰূপত সংৰক্ষণ।

৪।	পশুজাত সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত ৰাজ্যক স্বাৱলম্বী কৰাৰ ক্ষেত্ৰত বিভাগীয় মন্ত্ৰী নীলিমা দেৱীৰ গুৰুত্ব আৰোপ।

*আৰু*

৫।	হায়দৰাবাদত ক্ষন্তেক পাছতেই ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ ৫খনীয়া টি-টুৱেণ্টি শৃংখলাৰ চতুৰ্থখন খেল।

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আজি ডিব্ৰুগড়ত মৰাণ আৰু মটক সম্প্ৰদায়ৰ প্ৰতিনিধিসকলৰ সৈতে সুকীয়া সুকীয়া বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰী ড০ শৰ্মাই সম্প্ৰদায় দুটাৰ বিভিন্ন সমস্যা, দাবী, আৰু আশা আকাংক্ষাৰ বিষয়ে বিশদভাৱে আলোচনা কৰে। পৰিষদৰ নিৰ্বাচন, শিক্ষা, ক্ৰীড়া, চিকিৎসা শিক্ষা, আৰ্থসামাজিক উন্নয়ন আৰু সম্প্ৰদায় দুটাৰ বিশিষ্ট ব্যক্তিসকলৰ স্মৃতিত দিৱস উদযাপনৰ বিষয়সমূহেও আলোচনাত স্থান লাভ কৰে। বৈঠকত ড° শৰ্মাই কয় যে মৰাণ আৰু মটক সম্প্ৰদায়ৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ লগতে তেওঁলোকৰ চহকী ভাষিক সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ আৰু শিক্ষা তথা আৰ্থসামাজিক উন্নয়নৰ আশা -আকাংক্ষা পূৰণ কৰিবলৈ ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ লগতে সম্প্ৰদায় দুটাৰ প্ৰতিনিধিসকলৰ সৈতে আলোচনা অব্যাহত ৰাখি তেওঁলোকৰ সমস্যাসমূহ অগ্ৰাধিকাৰ ভিত্তিত সমাধানৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হব বুলি আশ্বাস দিয়ে। ইয়াৰ পুৰ্বে  মুখ্যমন্ত্ৰী ড°  শৰ্মাই আজি পুৱা ডিব্ৰুগড়ত নিৰ্মীয়মান অসম বিধানসভাৰ দ্বিতীয়টো চৌহদ পৰিদৰ্শন কৰি কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে প্ৰকল্পটোৰ সঠিক পৰিকল্পনা, বিভাগীয় সমন্বয় আৰু নিৰ্মাণৰ ক্ষেত্ৰত গুণগত মান অক্ষুণ্ণ ৰখাৰ দিশত গুৰুত্ব আৰোপ কৰে। এই চৌহদত মূল বিধানসভা ভৱন, বিধায়ক আৱাস, ৮০০ আসন বিশিষ্ট প্ৰেক্ষাগৃহকে ধৰি অন্যান্য অত্যাৱশ্যকীয় সা-সুবিধাসমূহ থাকিব। ড০ শৰ্মাই নিৰ্ধাৰিত সময়ৰ ভিতৰত প্ৰকল্পটোৰ নিৰ্মাণ সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। তেওঁ লগতে ইয়াৰ স্থাপত্যই যাতে গণতান্ত্ৰিক প্ৰতিষ্ঠানৰ মৰ্যাদা প্ৰতিফলিত কৰে আৰু প্ৰগতিশীল অসমৰ আকাংক্ষাক প্ৰতিনিধিত্ব কৰে এই বিষয়ত গুৰুত্ব দিবলৈ লোকনিৰ্মাণ বিভাগক আহ্বান জনায়।

মুখ্যমন্ত্ৰী শৰ্মাই ইয়াৰ পাছত খনিকৰত নিৰ্মীয়মান বহুমুখী ক্ৰীড়া চৌহদ পৰিদৰ্শন কৰি কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। তেওঁ ক্ৰীড়া আন্তঃগাঁথনিৰ মান অক্ষুণ্ণ ৰাখি নিৰ্মাণকাৰ্য শীঘ্ৰে সম্পূৰ্ণ কৰাৰ লগতে ভৱিষ্যৎ প্ৰজন্মৰ ক্ৰীড়া প্ৰতিভাসমূহক বিকশাই তোলাৰ উপযোগীকৈ অত্যাধুনিকভাৱে এই ক্ৰীড়া প্ৰকল্প গঢ়ি তুলিবলৈ লোকনিৰ্মাণ বিভাগক নিৰ্দেশ দিয়ে।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই ৰাষ্ট্ৰীয় সামাজিক সাহায্য কাৰ্যসূচী ২০২৬-২৭ বিত্তীয় বৰ্ষৰ পৰা ২০৩০-৩১ বৰ্ষলৈ ৫ বছৰৰ বাবে অব্যাহত ৰখাৰ প্ৰস্তাৱত অনুমোদন জনাইছে। মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত আজি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে মন্ত্ৰীসভাই সামাজিক সুৰক্ষাৰ বাবে ৫৩ হাজাৰ ৪২৮ কোটি টকা ব্যয়ত অনুমোদন দিছে। তেওঁ কয় যে দিব্যাংগ পেঞ্চন আঁচনিৰ অধীনত এতিয়াৰে পৰা ৭৯ বছৰ বয়সলৈকে ৩৭৫ টকা আৰু ৮০ বছৰ আৰু ইয়াৰ উৰ্ধৰ দিব্যাংগসকলক ৬২৫ টকা প্ৰদান কৰা হ'ব। প্ৰধানমন্ত্ৰী সামাজিক সাহায্য যোজনাৰ অধীনত দিব্যাংগসকলৰ বাবে শাৰিৰীক প্ৰতিবন্ধকতাৰ মান ৮০ শতাংশৰ পৰা ৪০ শতাংশলৈ হ্ৰাস কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয় যে ইয়াৰ অধীনত দিব্যাংগ পেঞ্চনৰ বাবে ন্যূনতম বয়স জন্মৰে পৰাই প্ৰযোজ্য হ'ব। শ্ৰীবৈষ্ণৱে কয় যে মন্ত্ৰীসভাৰ অনুমোদনৰ ফলত দেশৰ ৩৬ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুঠ ৩ কোটি ২০ লাখ হিতাধিকাৰী উপকৃত হ'ব।

বৃদ্ধ আৰু স্বামীৰ মৃত্যু হোৱা মহিলাৰ ক্ষেত্ৰত পেঞ্চন আৰু পাৰিবাৰিক লাভ আঁচনি বৰ্তমানৰ ৰূপত অব্যাহত থাকিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

অসমীয়া জাতিৰ আধ্যাত্মিক, সাংস্কৃতিক আৰু ঐতিহাসিক পৰিচয়ৰ অন্যতম পীঠস্থান পশ্চিমবংগৰ কোচবিহাৰত শ্ৰীশ্ৰীমধুপুৰ সত্ৰৰ ঐতিহ্য সংৰক্ষণৰ এটা বিশেষ প্ৰকল্প সম্পূৰ্ণ হৈছে। সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত, নন্দ তালুকদাৰ ফাউণ্ডেছন আৰু অসম জাতীয় বিদ্যালয়ৰ শৈক্ষিক ন্যাসৰ সহযোগত ডিজিটাইজিং আছাম শীৰ্ষক প্ৰকল্পৰ অধীনত সত্ৰখনৰ পুৰণি পুঁথি আৰু সাঁচিপাতসমূহৰ ডিজিটেল ৰূপ প্ৰদানৰ কাম সফলতাৰে সম্পূৰ্ণ হৈছে। প্ৰকল্পটোৰ অধীনত মুঠ ৪৪ খন পুঁথি আৰু ৩ হাজাৰ ৬৫ পৃষ্ঠা সাঁচিপাত ডিজিটেল ৰূপত সংৰক্ষণ কৰা হৈছে। আজি গুৱাহাটীৰ উজানবজাৰস্থিত শ্বহীদ ন্যাস ভৱনত আয়োজিত এখন এখন সংবাদমেলত ছাত্ৰ সন্থাৰ নেতৃত্বই এই কথা সদৰী কৰে। সংবাদমেলত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই প্ৰকল্পটোৰ সন্দৰ্ভত মন্তব্য প্ৰদান কৰি এইদৰে কয়।

***বাইট ঃ মুখ্য উপদেষ্টা***

উল্লেখযোগ্য যে, যোৱা ৮ জুলাইত ছাত্ৰ সন্থাৰ নেতৃত্ব, নন্দ তালুকদাৰ ফাউণ্ডেছন আৰু অসম জাতীয় বিদ্যালয় শৈক্ষিক ন্যাসৰ প্ৰতিনিধিৰ উপস্থিতিত সত্ৰখন ভ্ৰমণৰ সময়ত এই সম্পদসমূহ বৈজ্ঞানিক পদ্ধতিৰে সংৰক্ষণৰ বাবে সিদ্ধান্ত লোৱা হৈছিল।

০০০০০

পশুপালন আৰু পশু চিকিৎসা খণ্ডত গাখীৰ, কণী আৰু মাংসৰ সংহত নমুনা জৰীপ সন্দৰ্ভত জিলা নডেল বিষয়া, ক্ষেত্ৰ সহায়ক তথা গণনাকাৰীসকলৰ মাজত আজি এখন ৰাজ্যিক কৰ্মশালা অনুষ্ঠিত হয়। গুৱাহাটীৰ খানাপাৰাস্থিত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত অনুষ্ঠানত বিভাগীয় মন্ত্ৰী নীলিমা দেৱী উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে নিজৰ বক্তব্যত ৰাজ্যৰ কৃষি অৰ্থনীতিৰ ভেঁটি টনকিয়াল কৰাৰ বাবে পশুপালনক অধিক শক্তিশালী ৰূপত গঢ় দিয়াত গুৰুত্ব আৰোপ কৰে। বিশেষকৈ গাখীৰ, কণী আৰু মাংস উৎপাদানত ৰাজ্যখনক স্বাৱলম্বী কৰাৰ বাবে কৃষক সমাজৰ সৈতে মিলি নিষ্ঠা আৰু সততাৰে কাম কৰিব লাগিব বুলি তেওঁ উল্লেখ কৰে। নমুনা জৰীপৰ সৈতে জড়িত প্ৰতিগৰাকী বিষয়া-কৰ্মচাৰীক আন্তৰিকতাৰে কাম কৰিবলৈ তেওঁ আহ্বান জনায়। অনুষ্ঠানত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ সঞ্চালক ডাঃ জয়ন্ত কুমাৰ গোস্বামী, অৰ্থনীতি আৰু পৰিসংখ্যা বিভাগৰ সঞ্চালক প্ৰধান কে এছ গোপীনাথ নাৰায়ণ, দুগ্ধ উন্নয়ন বিভাগৰ সঞ্চালক পাঞ্চালী কাকতি আৰু মীন বিভাগৰ সঞ্চালক গৌৰীশংকৰ দাসৰ লগতে কেইবাগৰাকীও উচ্চ পদস্থ বিষয়া উপস্থিত থাকে।

০০০০০

অসম আন্দোলনৰ ফলশ্ৰুতিত জন্মলাভ কৰা অসম গণ পৰিষদৰ ৪২ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি ৰাজ্যৰ বিভিন্ন জিলাত উদযাপন কৰা হয়। ধেমাজিৰ কাছাৰী ময়দানত আজি দিনজোৰা কাৰ্যসূচীৰে আঞ্চলিক দলটোৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। ধেমাজি জিলা সমিতিৰ উদ্যোগত ধেমাজি, চিচিবৰগাঁও আৰু জোনাই সমষ্টিৰ আতিথ্যত আয়োজন কৰা এই অনুষ্ঠানত দলৰ সভাপতি অতুল বৰাই পতাকা উত্তোলন কৰে।

*বাইট ঃ অতুল বৰা*

ইয়াৰ পাছত ছহিদ তৰ্পণ আৰু দুপৰীয়া মুকলি সভা অনুষ্ঠিত হয়। অনুষ্ঠানত দলৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্ত, সাংসদ বীৰেন্দ্ৰপ্ৰসাদ বৈশ্য, জ্যেষ্ঠ নেতা ফণীভূষণ চৌধুৰীকে ধৰি প্ৰায় সংখ্যক নেতা-কৰ্মী উপস্থিত থাকে।

মানকাচৰতো আজি দিনজোৰা কাৰ্যসূচীৰে অগপৰ প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। অগপৰ মানকাচৰ বিধান পৰিষদৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীত দলটোৰ কেন্দ্ৰীয় সমিতিৰ উপ সভাপতি তথা মানকাচৰৰ প্ৰাক্তন বিধায়ক জাভেদ ইছলাম মুখ্য অতিথি হিচাপে উপস্থিত থাকে। কাৰ্যসূচীৰ অংশস্বৰূপে দলৰ কৰ্মীসকলৰ উপস্থিতিত এখন আলোচনা চক্ৰ অনুষ্ঠিত হয়।

০০০০০

যোৰহাটৰ অসম মহিলা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে আজি ড° মধুমিতা বৰুৱাই শপতগ্ৰহণ কৰে। বিশ্ববিদ্যালয়ৰ আচাৰ্য্য, ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই তেওঁক শপতবাক্য পাঠ কৰোৱায়। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য হিচাপে শপতগ্ৰহণ কৰাৰ পাছত ড° বৰুৱাই কয় যে বিশ্ববিদ্যালয়খনৰ উন্নয়নৰ বাবে ভালেখিনি কাম কৰা হৈছে যদিও কৰণীয় বহু বাকী আছে। অহা মাহত আনুষ্ঠানিকভাৱে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছতেই তেওঁ কেতবোৰ কাৰ্যপন্থা গ্ৰহণ কৰিব বুলি জানিবলৈ দিয়ে।

*বাইট - বৰুৱা*

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাইলৈ মুখ্যমন্ত্ৰীৰ নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ প্ৰথম কিস্তিৰ ধন মুকলি কৰিব। এই আঁচনিৰ দ্বাৰা ৫ লাখ ৪২ হাজাৰ ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব। নিযুত মইনা আঁচনিৰ অধীনত একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰীসকলক ৮০০ টকাকৈ, স্নাতক ছাত্ৰীসকলক এহেজাৰ ২৫০ টকাকৈ, স্নাতকোত্তৰ আৰু বি.এডৰ ছাত্ৰীসকলক দুহেজাৰ ৫০০ টকাকৈ আৰু পলিটেকনিকৰ ছাত্ৰীসকলক ৮০০ টকাকৈ প্ৰদান কৰা হ'ব। একেদৰে নিযুত বাবু আঁচনিৰ অধীনত স্নাতক ছাত্ৰসকলক এহেজাৰ টকাকৈ আৰু স্নাতকোত্তৰ ছাত্ৰসকলক দুহেজাৰ টকাকৈ প্ৰদান কৰা হ'ব। এই উপলক্ষে গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত দিনৰ ১১ বজাত আয়োজিত কেন্দ্ৰীয় অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়া আৰু বিধায়ক প্ৰদ্যুৎ বৰদলৈকে ধৰি আন কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশ ল'ব।

০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সংক্ৰান্তত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত সাক্ষীৰ সাক্ষ্যগ্ৰহণ প্ৰক্ৰিয়া অব্যাহত আছে। আজি ছবি পৰিচালক ৰাজেশ ভূঞা আৰু জুবিন গাৰ্গৰ বন্ধু তথা বাদ্যযন্ত্ৰী ৰাজা বৰুৱাই ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত সাক্ষ্য প্ৰদান কৰে।

ইপিনে, জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ অন্যতম অভিযুক্ত অমৃতপ্ৰভা মহন্তই আজি ফাষ্টট্ৰেক আদালতত হাজিৰ হয়।

০০০০০

শাৰদীয় নৱৰাত্ৰিৰ আজি চতুৰ্থ দিনা দেৱীক কুষ্মাণ্ডা ৰূপত পূজা কৰা হৈছে। কাইলৈ স্কন্দমাতা আৰু পৰহিলৈ কাত্যায়নী ৰূপত শক্তিৰূপিনী মা দুৰ্গাৰ পূজা কৰা হ'ব। ষষ্ঠীৰ সন্ধিয়া দেৱীক, বেদীত প্ৰতিষ্ঠা কৰা হ'ব। সপ্তমীত কালৰাত্ৰি, মহাষ্টমীত মহাগৌৰী আৰু মহা নৱমীত সিদ্ধিদাত্ৰীৰ ৰূপত দেৱী দুৰ্গাক পূজা কৰাৰ পাছত দশমীত দেৱীৰ

প্ৰতিমা বিসৰ্জন দিয়া হ'ব। ধৰ্মীয় বিশ্বাস অনুসৰি এইবাৰ দেৱীয়ে ঘোঁৰাত আগমন কৰিছে আৰু নৌকাৰে গমন কৰিব। দেশৰ বিভিন্ন প্ৰান্তৰ লগতে ৰাজ্যৰ প্ৰাচীন দৌল-দেৱালয়সমূহত যথাবিহিত ৰীতি-নীতিৰে নৱৰাত্ৰীৰ পূজা অব্যাহত আছে।

দৰঙৰ তিনিৰজা হাউলীত চাৰিশ বছৰৰো পুৰণি দুৰ্গা পূজা পৰম্পৰাগত নীতি-নিয়মেৰে পালন কৰাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। কোচ ৰাজত্বৰ স্মৃতি বিজড়িত মঙলদৈৰ ৰজা হাউলী, মোহনপুৰ হাউলী আৰু গাখীৰখোৱা হাউলীত পৰহিলৈৰ পৰা ২১ অক্টোবৰলৈ দুৰ্গোৎসৱৰ আয়োজন কৰা হৈছে।

গুৱাহাটী মহানগৰ আৰক্ষীয়ে শাৰদীয় দুৰ্গোৎসৱ শান্তিপূৰ্ণ আৰু সুৰক্ষিতভাৱে উদযাপনৰ লক্ষ্যৰে পূজা সমিতিসমূহৰ বাবে কঠোৰ নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি সমসিতিসমূহে নিশা ১০ বজাৰ পিছত উচ্চস্তৰত মাইক আৰু চাউণ্ড চিষ্টেম বজাব নোৱাৰিব। প্ৰতিখন পূজা মণ্ডপত চিচি টিভি কেমেৰা স্থাপন কৰিব লাগিব। নিশালৈ স্বেচ্ছাসেৱক নিয়োজিত কৰিব লাগিব আৰু সমিতিসমূহৰ বাবে প্ৰশিক্ষণপ্ৰাপ্ত স্বেচ্ছাসেৱকৰ ব্যৱস্থা কৰা উচিত। পূজাৰ সময়ছোৱাত নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰাৰ উদ্দেশ্যে পূজাস্থলীত অসামৰিক পোচাকতো আৰক্ষীৰ লোক নিয়োগ কৰা হ'ব। ভীৰ নিয়ন্ত্ৰণ আৰু শৃংখলা বৰ্তাই ৰখাৰ স্বাৰ্থত পুৰুষ আৰু মহিলাৰ প্ৰৱেশ-প্ৰস্থানৰ বাবে পৃথক পথৰ ব্যৱস্থা কৰাটো বাধ্যতামূলক কৰা হৈছে। একেদৰে দুচকীয়া বাহন চলোৱাৰ ক্ষেত্ৰত হেলমেট পৰিধান বাধ্যতামূলক কৰা হৈছে। সুৰাপায়ী চালকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আৰক্ষীয়ে স্পষ্ট কৰি দিছে। প্ৰতিমা বিসৰ্জনৰ বাবে পাণ্ডু আৰু লাচিত ঘাটত বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। প্ৰতিমাসমূহ ব্ৰহ্মপুত্ৰৰ বুকুলৈ নিয়াৰ বাবেও বিশেষ ব্যৱস্থা লোৱা হৈছে। চুনচালি ঘাটত বিসৰ্জনৰ ব্যৱস্থা কৰাৰ বিষয়েও আলোচনা চলি আছে বুলি মহানগৰ আৰক্ষীয়ে জানিবলৈ দিছে। আৰক্ষীয়ে সকলো পূজা সমিতিক নিৰ্ধাৰিত নীতি-নিয়ম মানি চলিবলৈ আহ্বান জনাইছে। এই সন্দৰ্ভত গুৱাহাটী মহানগৰ আৰক্ষীৰ যুটীয়া আয়ুক্ত অংকুৰ জৈনে এইদৰে কয়-

***বাইট- আৰক্ষী যুটীয়া আয়ুক্ত অংকুৰ জৈন***

০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধৰতি আবা জনজাতীয় গ্ৰাম্য উৎকৰ্ষ অভিযানৰ অধীনত ধেমাজিত ১০০ খন বিচনাযুক্ত দুটাকৈ ছাত্ৰাৱাস আৰু ছাত্ৰী নিৱাসৰ উদ্বোধন কৰে। লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱা আৰু চিচিবৰ গাঁৱৰ বিধায়ক জীৱন গগৈৰ উপস্থিতিত মন্ত্ৰীগৰাকীয়ে জামুগুৰি পাঞ্চালী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয় আৰু জীয়াঢল উচ্চ মাধ্যমিক বিদ্যালয়ত এই আৱাস দুটা উদ্বোধন কৰে। প্ৰায় ৬ কোটি ১৮ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই প্ৰকল্পই জনজাতীয় ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উন্নত আৱাসিক সুবিধা নিশ্চিত কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। অসমৰ ২৩ খন জিলাত জনজাতীয় শিক্ষাৰ্থীসকলৰ সুবিধাৰ বাবে এনে ধৰণৰ ২০৭টা ছাত্ৰাৱাস আৰু ছাত্ৰীনিৱাস নিৰ্মাণ কৰি থকা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

অসমীয়া সাহিত্যৰ পথ প্ৰদৰ্শক, গল্পকাৰ, নাট্যকাৰ, ঔপন্যাসিক, কবি, হাস্য ৰসাত্মক লেখক তথা সমালোচক সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ আজি জয়ন্তী। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ জয়ন্তী উপলক্ষে ঠায়ে ঠায়ে শ্ৰদ্ধা নিবেদন কৰা হৈছে। প্ৰজ্ঞাৰ সাধনাৰে মাতৃভাষা আৰু সমাজ জীৱনক গৌৰৱান্বিত কৰা আধুনিক অসমীয়া ভাষা-সাহিত্যৰ মাৰ্গ দৰ্শনকাৰী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ জয়ন্তী উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শ্ৰদ্ধা জ্ঞাপন কৰিছে। তেওঁ কয়, যে গভীৰ জাতীয় চেতনাৰ আদৰ্শৰে মহীয়ান, প্ৰজ্ঞা আৰু অনন্য সৃষ্টিশীল প্ৰতিভাৰে চিৰ ভাস্বৰ সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই জীৱনজোৰা সৃষ্টিশীল সাধনাৰে স্বজাতি আৰু স্ব-ভাষাক সমৃদ্ধ কৰিছে। তেওঁ জাতীয় জীৱনৰ অফুৰন্ত প্ৰেৰণাৰ উৎস বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰে।

**১৮৬৪** চনৰ আজিৰ দিনটোতেই নগাঁৱৰ আহঁতগুৰিত অসমীয়া সাহিত্যৰ ওজা সাহিত্যিক বেজবৰুৱাৰ জন্ম হৈছিল। 'মোৰ জীৱন সোঁৱৰণ', 'বুঢ়ী আইৰ সাধু', 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা' আদি তেওঁৰ সাহিত্যিক জীৱনৰ উল্লেখনীয় কীৰ্তিস্তম্ভ। **১৯২৪** চনত অনুষ্ঠিত অসম সাহিত্য সভাৰ তেওঁ সভাপতিৰ আসন অলংকৃত কৰিছিল। বাঁহী, জোনাকী আদি যুগান্তকাৰী আলোচনীসমূহৰ সম্পাদক হিচাপেও লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া ভাষা সাহিত্যলৈ অমূল্য বৰঙণি যোগাইছে।

ooooo

ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ ৫ খনীয়া টি টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল কিছুসময়ৰ পাছত হায়দৰাবাদত অনুষ্ঠিত হ'ব। ইন্দোৰত যোৱা দেওবাৰে অনুষ্ঠিত তৃতীয়খন খেলত আলহী দল ৱেষ্ট ইণ্ডিজক ১৪ ৰানত পৰাস্ত কৰি ভাৰত সম্প্ৰতি শৃংখলাত ২-১ ফলাফলেৰে আগবাঢ়ি আছে।

ooooo

**সমাপ্ত**